NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

000000000

১। ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আজি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। ৰাজ্যখনত বিয়লি ৫ বজালৈ ৬৪ দশমিক ৮-৬ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

২। অসমৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পূৰ্ণ হৈছে। সমষ্টিকেইটাত সামগ্ৰিকভাৱে ৭৩ শতাংশৰো অধিক ভোটদান হোৱা বুলি জানিব পৰা গৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বিভিন্ন প্ৰান্তৰ ৰে'ল ষ্টেচনৰ ১৮ টা প্ৰধানমন্ত্ৰী ভাৰতীয় জন ঔষধি কেন্দ্ৰ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

৪। কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে শিক্ষাৰ্থী আৰু পাঠ্যক্ৰমৰ বিষয়ে যাৱতীয় তথ্য প্ৰদান কৰিব লাগে বুলি নীতি-নিৰ্দেশনা জাৰি কৰিছে।

***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব।

000000000

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আজি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। ৰাজ্যখনত বিয়লি ৫ বজালৈ ৬৪ দশমিক ৮-৬ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰা বুলি জানিব পৰা গৈছে। ২০১৯ চনৰ বিধানসভা নিৰ্বাচনত এই হাৰ আছিল ৬৩ দশমিক ৯ শতাংশ। ভোটদাতাসকলে নিৰ্বাচন বৰ্জনৰ আহ্বান নেওচি সন্তোষজনক হাৰত ভোটদান কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। আয়োগে লগতে ৰাজ্যখনৰ বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাসমূহত ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত বৃদ্ধি পোৱা বুলি জানিবলৈ দিছে।

000000000

ৰাজ্যৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই  বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ আজি বিয়লি ৫ বজাত সামৰণি পৰে। চামগুৰি আৰু বিহালী সমষ্টিৰ কেতবোৰ অঞ্চলত দুষ্কৃতিকাৰীৰ দ্বাৰা আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনা সংঘটিত হয় যদিও এইসমূহে ভোটগ্ৰহণত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। এই ভোটগ্ৰহণৰ চূড়ান্ত হাৰ এতিয়াও জানিব পৰা হোৱা নাই যদিও চামগুৰি সমষ্টিত সৰ্বাধিক আৰু বঙাইগাঁও সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বিয়লি ৫ বজালৈকে চামগুৰি সমষ্টিত ৭৮ দশমিক ১-০ শতাংশ, বিহালী সমষ্টিত ৭৩ দশমিক ৭-০ শতাংশ ধলাই সমষ্টিত ৭২ দশমিক ৪-০ শতাংশ, চিদলী সমষ্টিত ৭১ দশমিক ৫-০ শতাংশ আৰু বঙাইগাঁও সমষ্টিত ৭২ শতাংশ ভোটদান হৈছিল।

চামগুৰি সমষ্টিৰ পশ্চিম লৰিৰমুখৰ কৰৈগুৰি মজলীয়া বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন আৰু তেওঁৰ মাতৃয়ে ভোটদান কৰে। আনহাতে, চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম ঠেনুকুবাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে ভোটদান কৰে। ধলাই সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত আজি সাংসদ পৰিমল শুক্লবৈদ্যই ভোটদান কৰে। এতিয়ালৈকে কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি আমালৈ অহা নাই। আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হৈছে। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আজিৰ ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বিভিন্ন প্ৰান্তৰ ৰে'ল ষ্টেচনৰ ১৮ টা প্ৰধানমন্ত্ৰী ভাৰতীয় জন ঔষধি কেন্দ্ৰ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। শ্ৰীমোদীয়ে বিহাৰৰ দৰভাংগাৰ পৰা ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে ১২ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ আন কেতবোৰ উন্নয়নমূলক প্ৰকল্পৰ লগতে এই কেন্দ্ৰকেইটা মুকলি কৰে। এই কেন্দ্ৰসমূহে যাত্ৰীসকলৰ বাবে ৰে'ল ষ্টেচনত বহনসাধ্য দৰত গুণগত ঔষধৰ উপলব্ধতা সুনিশ্চিত কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে দেশৰ স্বাস্থ্য আন্তঃগাঁথনি সুদৃঢ় কৰাৰ উদ্দেশ্যে সৰ্বাত্মক দৃষ্টিভংগীৰে কাম কৰি আছে। তেওঁ কয়, যে চৰকাৰে জনসাধাৰণলৈ বহনসাধ্য আৰু বিনামূলীয়া স্বাস্থ্য সেৱা তথা ঔষধ যোগান ধৰাত গুৰুত্ব আৰোপ কৰি আহিছে। পৰৱৰ্তী ৫ বছৰত চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমৰ ৭৫ হাজাৰ নতুন আসন সংযোজিত কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে, আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীসমূহৰ বাবে দেশত ডেৰ লাখৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ মুকলি কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে আজি মুকলি কৰা জন ঔষধি কেন্দ্ৰসমূহ বিহাৰ, উত্তৰ প্ৰদেশ, ত্ৰিপুৰা, ৰাজস্থান, তামিলনাডু, তেলেংগানা, ছত্তিশগড়, কৰ্ণাটক, গুজৰাট, পশ্চিমবঙ্গ আৰু মধ্য প্ৰদেশৰ বুলি জানিব পৰা গৈছে।

০০০০০০০০০

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে অভিভাৱক আৰু প্ৰাৰ্থীসকল বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে শিক্ষাৰ্থী  আৰু পাঠ্যক্ৰমৰ বিষয়ে যাৱতীয় তথ্য প্ৰদান কৰিব লাগে বুলি নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি, প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে অস্বীকাৰমূলক ঘোষণা আৰু স্পষ্টীকৰণ স্পষ্টভাৱে প্ৰদৰ্শন কৰিব লাগিব আৰু বাছনি লাভ কৰাৰ পাছতহে অনুমতি সাপেক্ষে সফল প্ৰাৰ্থীসকলৰ ফটো ব্যৱহাৰ কৰিব পাৰিব। নীতি-নিৰ্দেশনা অনুসৰি, প্ৰতিষ্ঠানসমূহে নিজৰ সেৱা, সুবিধা আৰু আন্তঃগাঁথনিৰ বিষয়ে সঠিকভাৱে ঘোষণা কৰিব লাগিব।  গ্ৰাহক পৰিক্ৰমা বিভাগৰ সচিব নিধি খাড়েই আজি নতুন দিল্লীত বিভিন্ন প্ৰশিক্ষণ প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা বিভ্ৰান্তিকৰ বিজ্ঞাপনৰ বিৰুদ্ধে এলানি নীতি-নিৰ্দেশনা জাৰি কৰি কয়, যে প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ গ্ৰাহকসকলৰ ওজৰ-আপত্তি নিষ্পত্তিৰ সক্ৰিয় ব্যৱস্থা থকা উচিত। ৰাষ্ট্ৰীয় গ্ৰাহক হেল্পলাইন আৰম্ভ হোৱাৰে পৰা যোৱা বছৰ ছেপ্তেম্বৰৰ পৰা চলিত বছৰৰ আগষ্টলৈকে বিভিন্ন সংস্থাই ১ কোটিৰো অধিক টকা ঘূৰাই দিছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজনৈতিক দলসমূহে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ধুলে জিলাৰ সিন্দখেড়াৰ এখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ হাৰিয়াণাৰ উদাহৰণ দি মহাৰাষ্ট্ৰত শাসকীয় মহা মিত্ৰজোট পুনৰ ক্ষমতালৈ আহিব বুলি মন্তব্য কৰে। বিজেপিৰ নেতাগৰাকীয়ে মুখ্যমন্ত্ৰী মাঝি লড়কী বহিন আঁচনিৰ বিৰোধিতা কৰাৰ বাবে এন চি পি শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে আৰু এম ভি এ নেতাসকলক তীব্ৰ সমালোচনা কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান, পীয়ুষ গোৱেল, মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিচ আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়।

এন চি পি শাৰদ পাৱাৰ গোটৰ নেতা শাৰদ পাৱাৰে আজি নিৰ্বাচনী প্ৰচাৰত অংশ লৈ প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ শেহতীয়া প্ৰতিবেদনত মহাৰাষ্ট্ৰৰ স্থান অৱনমিত হোৱা বিষয় লৈ মহা মিত্ৰজোট চৰকাৰক সমালোচনা কৰে। শ্ৰীপাৱাৰে কয়, যে তেওঁৰ কাৰ্য্যকালত তেওঁলোকে ৰাজ্যখনক শীৰ্ষ স্থানলৈ উন্নীত কৰাৰ বাবে কাম কৰিছিল।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি লাটুৰত আৰু শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা উদ্ধৱ থাকৰেই চাৰন্তৱাড়িত দলৰ হৈ প্ৰচাৰ চলায়।

০০০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে পশ্চিম এছিয়াৰ পৰিস্থিতি, বিশেষকৈ গাজাৰ সংঘৰ্ষক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ভাৰতৰ স্থিতিৰ বিষয়ে প্ৰকাশ কৰি তেওঁ কয়, যে এই ক্ষেত্ৰত দেশে অটল আৰু আদৰ্শকেন্দ্ৰিক স্থিতি গ্ৰহণ কৰি আহিছে। ভাৰতে নিৰীহ জনসাধাৰণৰ মৃত্যুক লৈ দুখ প্ৰকাশ কৰি সন্ত্ৰাসবাদ আৰু অপহৰণ কাৰ্য্যক গৰিহণা দি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীজয়শংকৰে পেলেষ্টাইনৰ সমস্যাৰ সমাধানৰ বাবে ডি ৰাষ্ট্ৰৰ সমাধান-সূত্ৰৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ কথা দোহাৰে। নতুন দিল্লীত আজি ছৌদি আৰবৰ বিদেশ মন্ত্ৰী যুৱৰাজ

ফেইজল বিন ফৰহান অলছাউদৰ সৈতে ভাৰত-ছৌদি আৰৱ কৌশলগত সহযোগিতা পৰিষদৰ ৰাজনৈতিক, সুৰক্ষা, সামাজিক আৰু সাংস্কৃতিক সমিতিৰ দ্বিতীয়লানি বৈঠকত সহ-অধ্যক্ষতা কৰি ড০ জয়শংকৰে এই কথা প্ৰকাশ কৰে।

০০০০০০০০০

বিজেপিয়ে উচ্ছেদ কাৰ্য্য সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি আদৰণি জনাই এই ৰায় অকল এখন ৰাজ্যৰ বাবে নহয়, বৰং সমগ্ৰ দেশৰ বাবে বুলি মন্তব্য কৰিছে। উচ্চতম ন্যায়ালয়ৰ ৰায় সন্দৰ্ভত আজি নতুন দিল্লীত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত দলৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয় যে, ভাৰতত  আইনৰ শাসন আছে আৰু দেশত নীতি-নিয়ম তথা সংবিধান অনুযায়ীহে ব্যৱস্থা গ্ৰহণ কৰা হয়। তেওঁ কয় যে, অপৰাধীৰ মনত ভয় আৰু জনসাধাৰণৰ মনত শান্তিৰ ভাৱনাৰ উদয় দেশৰ বাবে শুভ।

কংগ্ৰেছেও সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি আদৰণি জনাইছে। দলৰ সাংসদ ৰঞ্জিত ৰঞ্জনে আজি নতুন দিল্লীত সাংবাদিকৰ আগত কয়, যে তেওঁৰ দলে উচ্চেদ কাৰ্য্যৰ বিৰোধিতা কৰি আহিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়ে উচ্চেদ কাৰ্য্যক প্ৰত্যাখান কৰি বিজেপিৰ উদঙাই দিছে বুলি তেওঁ অভিযোগ তোলে।

০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেণ্ঞুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। কিংছমিডত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে ৬১ ৰাণত জয়লাভ কৰিছিল। ডাৰবানত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাজিত কৰিছিল।

০০০০০০০০০

সমাপ্ত